# Prime Minister Narendra Modi and Prime Minister of Mauritius Mr. Pravind Jugnauth jointly inaugurate the new Supreme Court Building

July 30, 2020

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু মৰিছাছৰ প্ৰধানমন্ত্ৰী প্ৰভীন্দ জুগনাউথে যুটীয়াভাৱে মৰিছাছ চুপ্ৰিম কৰ্টৰ নতুন ভৱনটো উদ্ধোধন কৰে

জুলাই 30, 2020

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু মৰিছাছৰ প্ৰধানমন্ত্ৰী প্ৰভীন্দ জুগনাউথে আজি ভিডিঅ কনফাৰেন্স যোগে যুটীয়াভাৱে মৰিছাছ সুপ্ৰিম কৰ্টৰ নতুন ভৱনটো উদ্ধোধন কৰে। ভাৰতৰ অনুদান সাহাৰ্যৰ দ্বাৰা এই ভৱনটো নিৰ্মাণ কৰা হয় আৰু কোভিডৰ পিছত ৰাজধানী চহৰ পৰ্ট লুইছৰ মাজমজিয়াত এইটো প্ৰথম আন্তঃগাঠনিক সাহাৰ্য প্ৰকল্প। ভাৰত চৰকাৰৰ পৰা লাভ কৰা 28.12 কোটি মাৰ্কিন ডলাৰৰ আৰ্থিক অনুদানেৰে এই ভৱনটো নিৰ্মাণ কৰা হৈছে।

প্ৰধানমন্ত্ৰী মোডীয়ে এই উপলক্ষে আয়োজিত অনুষ্ঠানৰ ভাষণত কয় যে ভাৰতৰ উন্নয়নমূলক সহযোগিতাৰ অন্তৰ্নিহিত দৰ্শন হল মানৱকেন্দ্ৰিক উদ্যোগৰ কথা উল্লেখ কৰিছে আৰু ভাৰত আৰু মৰিছাছৰ মাজৰ ঘনিষ্ঠ সম্পৰ্কক আৰু দৃঢ় কৰাৰ জনমূখী আন্তঃগাঠনি প্ৰকল্প ভূমিকাক প্ৰশংসা কৰিছে। তেখেতে কয় যে অত্যাধুনিক নক্সা আৰু অত্যাধুনিক সা-সুবিধাৰে নিৰ্মিত এই নতুন চুপ্ৰিম কৰ্টৰ ভৱনটো মৰিছাছ ন্যায়পালিকাৰ কাৰণে উপযুক্ত আসন আৰু সহযোগিতাৰ প্ৰতীক আৰু লগতে দুয়োখন দেশৰ মূল্যবোধৰ প্ৰতিফলন। তেখেতে লগতে উল্লেখ কৰে যে নিৰ্ধাৰিত সময় আৰু প্ৰত্যাশিত ব্যয়তকৈ কমত প্ৰকল্পটো সম্পূৰ্ণ হৈ উঠিছে।

প্ৰধানমন্ত্ৰী মোডীয়ে কয় যে মৰিছাছৰ লগত উন্নয়নমূলক সহযোগিতা হল উন্নয়নৰ অংশীদাৰিত্বৰ ক্ষেত্ৰত ভাৰতৰ দৃষ্টিভংগী। তেখেতে জোৰ দি কয় যে ভাৰতৰ উন্নয়নমূলক সহযোগিতাত কোনোধৰণৰ চৰ্ত নাই আৰু ই কোনো ৰাজনৈতিক আৰু বাণিজ্যিক বিবেচনাৰ দ্বাৰা প্ৰভাৱিত নহয়। উন্নয়ন সহযোগিতাৰ কাৰণে ভাৰতৰ মূল নীতি হৈছে আমাৰ অংশীদাৰসকলৰ প্ৰতি সন্মান আৰু উন্নয়নৰ পাঠসমূহক ভগোৱাটো আমাৰ একমাত্ৰ অনুপ্ৰেৰণা। এই প্ৰসংগত তেখেতে কয় যে ভাৰতে উন্নয়নমূলক সহযোগিতা 'সন্মান', 'বৈচিত্ৰ্য' আৰু 'ভৱিষ্যতৰ প্ৰতি যত্নৱান হোৱা', আৰু 'বহনক্ষণ উন্নয়ন'ৰ মূল মূল্যবোধসমূহৰ ৰূপত বৈশিষ্ট্যতা প্ৰদান কৰে।

ভাৰতে মৰিছাছৰ জনগণৰ কৃৰ্তিত্বৰ কাৰণে গৰ্বিত বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোডীয়ে তেখতৰ আত্মবিশ্বাসেৰে ব্যক্ত যে আগন্তুক দিনত ভাৰত-মৰিছাছৰ সহযোগিতা আৰু অধিক উন্নত হব।

মৰিছাছৰ প্ৰধানমন্ত্ৰী জুগনাউথে এই প্ৰকল্পৰ কাৰণে ভাৰতৰ পৰা লাভ কৰা সাহাৰ্যৰ কাৰণে

আন্তৰিক অভিনন্দন জ্ঞাপন কৰে, কিয়নো এইয়া দুয়োখন দেশৰ বন্ধুত্ব আৰু সহযোগিতাৰ ঘনিষ্ঠ সম্পৰ্কৰ এক প্ৰতিছবি। তেখেতে উল্লেখ কৰে যে ভাৰতৰ সাহাৰ্যত নিৰ্মাণ হোৱা চুপ্ৰিম কৰ্ট ভৱনটো মৰিছাছত আন্তঃগাঠনিক আধুনিকীকৰণৰ দিশত এক নতুন মাইলৰ খুঁটি আৰু ইয়াৰ ফলত মৰিছাছৰ ন্যায়িক ব্যৱস্থা আৰু অধিক দক্ষ, অধিগম্য আৰু সমন্বিত হৈ উঠিব।

'সাগৰ– এই অঞ্চলৰ সকলোৰে কাৰণে সুৰক্ষা আৰু বিকাশ', এই দৃষ্টিকোণৰ অনুৰূপ নতুন চুপ্ৰিম কৰ্ট ভৱনটো হিন্দু মহাসাগৰ অঞ্চলত মৰিছাছৰ নিৰ্ভৰযোগ্য অংশীদাৰ হিচাপে ভাৰতৰ ভূমিকাক প্ৰদৰ্শন কৰে আৰু ইয়াৰ লগতে দুয়োখন দেশৰ মাজত ভৱিষ্যতে অংশীদাৰিত্বক আধিক দৃঢ় কৰাৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতি।

**নতুন দিল্লী**
**জুলাই 30, 2020**

**DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.**